# ব্ৰাজিলৰ ৰাষ্ট্ৰপতিৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

ছেপ্টেম্বৰ 10, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 10 ছেপ্টেম্বৰ 2023 ত নতুন দিল্লীত অনুষ্ঠিত হোৱা G20 শীৰ্ষ সন্মিলনৰ আঁৰত ব্ৰাজিলৰ ৰাষ্ট্ৰপতি মহামহিম শ্ৰীযুত লুইজ ইনাচিঅ' লুলা দা চিলভাক সাক্ষাৎ কৰে।

ৰাষ্ট্ৰপতি লুলাই ভাৰতৰ G20 অধ্যক্ষতাৰ সফলতাত প্ৰধানমন্ত্ৰীক অভিনন্দন জনায়। প্ৰধানমন্ত্ৰীয়ে অহা বছৰ ব্ৰাজিলৰ  G20 অধ্যক্ষতাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে আৰু তেওঁ ভাৰতৰ সম্পূৰ্ণ সমৰ্থনৰ আশ্বাস দিয়ে।

জৈৱ-ইন্ধন, ভেষজ, কৃষিভিত্তিক উদ্যোগ, মহাকাশ আৰু বিমান পৰিবহণৰ ক্ষেত্ৰত সহযোগকে ধৰি ভাৰত - ব্ৰাজিল কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰাৰ উপায়ৰ ওপৰত আলোচনা কৰা হয়।

বৈঠকৰ সামৰণিত এক যৌথ বিবৃতি জাৰি কৰা হয়।

**নতুন দিল্লী**
**ছেপ্টেম্বৰ 10, 2023**